# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-FEB-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

——————————————————————

## HEADLINES
::::::::::::::::::

১। **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত আজি শিক্ষাৰ্থীসকলক প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান।

২। ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ অৰ্থে মুখ্যমন্ত্ৰীৰ কামৰূপ জিলাত দুখন  নৱনিৰ্মিত ষ্টেডিয়াম মুকলি।

৩। ন্যায়পালিকাত দুৰ্নীতি বিষয়ক পাঠ সন্নিবিষ্ট থকা NCERT-ৰ অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথি তৎকালেই নিষিদ্ধ কৰাৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

৪। বিটিচি প্ৰশাসনৰ ৫ গেৰাণ্টিৰ অধীনত আজি কেইবাখনো জিলাত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ক্ষন্তেক পাছতে ভাৰত আৰু জিম্বাব’ৱে মুখামুখি। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে আন এখন খেলত দক্ষিণ আফ্ৰিকাৰ ৯ উইকেটত জয়লাভ।

ooooo

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান কৰে। **জীৱন প্ৰেৰণা** আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি **মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা** আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হয়। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানত বি এড পাঠ্যক্ৰমত অধ্যয়নৰত শিক্ষাৰ্থীসকলৰ বাবেও অনাগত সময়ত বিশেষ আঁচনি ৰূপায়ণৰ কথা প্ৰকাশ কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰে। এই অনুষ্ঠানতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকলক সকাহ দিয়াৰ উদ্দেশ্যে **মুখ্যমন্ত্ৰীৰ নিযুত বাবু** আঁচনিৰ শুভাৰম্ভ কৰা হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাহিৰে স্নাতক আৰু স্নাতকোত্তৰ বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষত ৪৭ হাজাৰ ৩৯৫ গৰাকী ছাত্ৰৰ মাজত মুঠ ১২ কোটি টকাৰ অনুদান প্ৰদান কৰা হয়।

ooooo

গুৱাহাটীৰ বেতকুচিত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৃহৎ পৌৰ সেৱা ভৱন মুকলি কৰে। ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনলৈ সকলো বিভাগৰ মুখ্য কাৰ্যালয় অনা হ'ব। এই ভৱনত মেয়ৰ, পাৰিষদ, অধ্যক্ষ আৰু আয়ুক্ত সকলো একেলগে বহি কাম কৰাৰ সুবিধা থাকিব। ড০ শৰ্মাই আজি কামৰূপ জিলাত দুখনকৈ নৱনিৰ্মিত ষ্টেডিয়াম মুকলি কৰে। তেওঁ প্ৰথমে শুৱালকুছিত ৬৭ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে সাজি উলিওৱা এখন ক্ৰীড়া ক্ষেত্ৰ উদ্বোধন কৰে। এই ক্ৰীড়া ক্ষেত্ৰত ফুটবল খেলপথাৰ, ৮টা লেনযুক্ত আধুনিক এথলেটিক ট্ৰেক, ৬ হাজাৰ আসনবিশিষ্ট গেলেৰী, ভলীবল, বাস্কেটবল ক'ৰ্ট, ইনড'ৰ ষ্টেডিয়াম আদিৰ সুবিধা আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বংশৰত ১১ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মিত মিনি ষ্টেডিয়াম উদ্বোধন কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে ন্যায়পালিকাত দুৰ্নীতি বিষয়ক পাঠ সন্নিবিষ্ট থকা NCERT-ৰ অষ্টম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথি তৎকালেই নিষিদ্ধ কৰাৰ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ন্যায়াধীশ বিপুল এন পাঞ্চলীক লৈ গঠিত খণ্ড বিচাৰপীঠে কালি দিয়া এটা নিৰ্দেশযোগে কেন্দ্ৰীয় বিদ্যালয় শিক্ষা বিভাগৰ সচিব আৰু NCERT-ৰ অধ্যক্ষক তেওঁলোকৰ বিৰুদ্ধে কিয় আদালত অৱমাননাৰ গোচৰ তৰা নহ'ব এই বিষয়েও কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। এটা নিৰ্দেশত সৰ্বোচ্চ ন্যায়ালয়ে এই পাঠ্যপুথিখনৰ সকলো প্ৰতিলিপি অনতিপলমে জব্দ কৰিবলৈ NCERT-ক কঠোৰ নিৰ্দেশ দিছে। ইয়াৰ ভিতৰত NCERT-ৰ গুদামত বৰ্তমান ২ লাখ ২৪ হাজাৰ ৯৬২ খন পাঠ্যপুথি আৰু ইতিমধ্যে বিভিন্ন স্থানত বিক্ৰী হোৱা ৩৮ খন পাঠ্যপুথি আছে। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশৰ পাছত NCERT-এ দেশৰ বিভিন্ন প্ৰান্তৰ ৩৮টা মূল বিক্ৰেতা প্ৰতিষ্ঠানৰ পৰা অষ্টম শ্ৰেণীৰ নিষিদ্ধ কৰা ১৬ খন পাঠ্যপুথি উদ্ধাৰ কৰিছে।

ooooo

বিটিচি চৰকাৰে আজি বিটিচি প্ৰশাসনৰ অন্তৰ্গত বিভিন্ন জিলাত চৰকাৰে ৰূপায়ণ কৰি থকা পাঁচটা গেৰাণ্টী আঁচনিৰ অন্তৰ্ভুক্ত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰে। বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ৰাবাং বড়ো বজাৰত আজি হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। বড়োলেণ্ড দিৱসৰ সৈতে সংগতি ৰাখি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি মতে আত্মসহায়ক গোট, নিবনুৱা যুৱক-যুৱতী, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ লোকক আৰ্থিক সাহায্য বিতৰণৰ লগতে ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰে। চেক বিতৰণ কাৰ্যসূচীত ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিত আজি বিপিএফ দলৰ কেন্দ্ৰীয় সম্পাদক ৰাজু বৰাল, প্ৰাক্তন

বিধায়ক থানেশ্বৰ বসুমতাৰী, বাক্সা জিলাৰ ভাৰপ্ৰাপ্ত সচিব মানস দাসকে আদি কৰি ভালেসংখ্যক লোক উপস্থিত থাকে। বাক্সা জিলাৰ ২৪ নম্বৰ মুছলপুৰ পৰিষদীয় সমষ্টিতো চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়।

চিৰাঙৰ ১৫ নম্বৰ কাজলগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীৰ মাজতো চেক বিতৰণ কৰা হয়। চিৰাং জিলাৰ বি পি এফৰ সভাপতি জেমছ্ বসুমতাৰীয়ে এই কাৰ্যসূচীৰ পৌৰহিত্য কৰে। অনুষ্ঠানত ৯গৰাকী ভূমিহীন লোকক ভূমিপট্টা, ৮২৮ টা আত্মসহায়ক গোটলৈ ১৫ হাজাৰ টকাৰ চেক, ১২১ গৰাকী জ্যেষ্ঠ নাগৰিকলৈ ১০ হাজাৰ টকাৰ চেক আৰু ১০০ গৰাকী যুৱক-যুৱতীলৈ দুই লাখ টকাৰ আৰ্থিক অনুদান প্ৰদানৰ লগতে ১৯ গৰাকী দিব্যাংগলৈ ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰাক্তন বিধায়ক মতীন্দ্ৰ বসুমতাৰী আৰু বিপিএফৰ নেতা-কৰ্মীৰ লগতে ভালেসংখ্যক  সাধাৰণ লোক উপস্থিত থাকে।

তামুলপুৰতো নাগ্ৰিজুলী পৰিষদীয় সমষ্টি আৰু গয়বাৰী পৰিষদীয় সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। পৰিষদৰ সচিব ধীৰাজ খাউড আৰু তামুলপুৰৰ চক্ৰ বিষয়াৰ উপস্থিতিত চেকসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত বিপিএফ দলৰ ভালেসংখ্যক নেতা-কৰ্মীৰ লগতে সহস্ৰাধিক লোক উপস্থিত থাকে।

ooooo

এটা বিশেষ সম্প্ৰদায়ক উদ্দেশি কৰা আপত্তিজনক মন্তব্যৰ অভিযোগত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি অসম চৰকাৰ, ভাৰত চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা এটা বিশেষ সম্প্ৰদায়ক উদ্দেশ্য কৰি আপত্তিজনক মন্তব্য আগবঢ়োৱা বুলি লেখক, চিন্তাবিদ ড০ হিৰেন গোহাঁই আৰু দুটা ৰাজনৈতিক দলে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। আজি এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে এই জাননী জাৰি কৰে। অহা এপ্ৰিলত আবেদনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ ধেমাজি জিলাৰ ৩২ হাজাৰ লোকৰ মাজত মিছন বসুন্ধৰা আঁচনিৰ অধীনত ভূমিপট্টা বিতৰণ কৰিব। এই উপলক্ষে জিলাখনৰ দেউৰীবিলত আয়োজিত অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব। খিলঞ্জীয়া ভূমিহীন পৰিয়াল আৰু প্ৰতিষ্ঠাসমূহৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যৰে চৰকাৰে সমষ্টিভিত্তিত ভূমিপট্টা বিতৰণৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই অনুষ্ঠানৰ সৈতে ধেমাজিত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা সংহত জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

ooooo

উত্তৰ লখিমপুৰৰ পৰা ডিব্ৰুগড়লৈ প্ৰতিদিনে ৰে'ল চলাচল তথা মুৰ্কংচেলেক আৰু গুৱাহাটীৰ মাজত চলাচল কৰা লাচিত এক্সপ্ৰেছ ৰে'লগাড়ীখন সৰু-বৰ সকলো ষ্টেচনত ৰখোৱাৰ দাবীৰে ধেমাজি ঐক্য মঞ্চই আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ঐক্য মঞ্চই লগতে জিলাখনত লোকনিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণৰত পথসমূহ খৰতকীয়া কৰিবলৈও দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক লোকে অংশগ্ৰহণ কৰি শীঘ্ৰেই এই দাবীসমূহ কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়।

**বাইট (প্ৰতিবাদকাৰী)**

ooooo

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা এক মাৰ্চলৈকে ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আয়োজন কৰা হৈছে। অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৮০ খনৰো অধিক বিপণীয়ে অংশ লৈছে। বিপণীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। এইবাৰৰ মেলাত পুষ্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফলমূল, চাদৰ ওপৰত কৰা বাগিচা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনাচক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হ'ব।

০০০০০

বজালীত মাজিউ বুঢ়া সভা মহোৎসৱ আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। শতবৰ্ষ অতিক্ৰম কৰা এই সভা মহোৎসৱৰ স্থায়ী সভাপতি গিৰিধৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভা মহোৎসৱ সমাজকৰ্মী গিৰিশ পাটগীৰিয়ে উদ্বোধন কৰে।

০০০০০

ৰাজ্যৰ প্ৰশাসনিক আন্তঃগাঁথনিত নতুন সংযোজন হিচাপে দিছপুৰৰ জনতা ভৱনৰ ব্লক-বিৰ আজি উদ্বোধন কৰা হ'ব। ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অত্যাধুনিক ভৱনত লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, জলসিঞ্চন আৰু জলসম্পদ সচিবালয়ৰ লগতে জলসিঞ্চন সঞ্চালকালয় থাকিব। ভৱনটোৰ প্ৰতিটো মহলাতে উন্নতমানৰ দৃশ্য-শ্ৰাব্য ব্যৱস্থাসহ আলোচনা কক্ষ, কৰ্মচাৰীৰ বাবে ক'ৰ্পৰেট শৈলীৰ কৰ্মক্ষেত্ৰ, জ্যেষ্ঠ বিষয়া আৰু মন্ত্ৰীৰ বাবে পৃথক কক্ষকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। জনতা ভৱনত আজি সন্ধিয়া আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই ব্লকটো উদ্বোধন কৰিব।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ক্ষন্তেক পাছতে হ'বলগীয়া ছুপাৰ এইটৰ এখন গুৰুত্বপূৰ্ণ খেলত ভাৰত জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। জিম্বাব'ৱে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

ইয়াৰ পূৰ্বে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই ৱেষ্ট ইণ্ডিজক ৯ উইকেটত পৰাস্ত কৰে। দক্ষিণ আফ্ৰিকাই ১৭৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ এটা বলত এটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ এইডেন মাৰ্কৰমে সৰ্বাধিক ৮২ আৰু ৰিয়ান ৰিকেল্টনে ৪৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭৬ ৰান সংগ্ৰহ কৰে।

০০০০০

সমাপ্ত